# ব্যৱসায় অধ্যয়ন (২১৫)

শিক্ষক অংকিত মূল্যাংকন পত্ৰ সৰ্বোচ্চ নম্বৰ ঃ ২০

টোকা ঃ 1. সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ মূল্যাংকন প্ৰশ্নটোৰ কাষত দিয়া আছে।

2. উত্তৰবহীখনৰ প্ৰথম পৃষ্ঠাৰ উপৰভাগত নিজৰ নাম, ৰোল নং, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট শব্দৰে লিখিব।

1. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 40 ৰ পৰা 60 টা শব্দৰ ভিতৰত কৰা । ২

(a) বস্তু বিক্ৰীৰ ক্ষেত্ৰত বিজ্ঞাপন এক সক্ৰিয় সহায়ক। কেনেকৈ ? (পাঠ ২ চোৱা)

(b) তোমাৰ মতে আৰ্থিক কাৰ্য-কলাপৰ অৰ্থ কি ? আৰ্থিক কাৰ্য-কলাপৰ দুটা উদাহৰণ দিয়া (পাঠ ১ চোৱা)

2. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 40 ৰ পৰা 60 টা শব্দৰ ভিতৰত কৰা । ২

(a) একক মালিকীস্বত্বই কিদৰে ব্যৱসায়ত ভাল নিয়ন্ত্ৰণ কৰিব পাৰে ।
(পাঠ ৩ চোৱা)

(b) এটা উদাহৰণৰ সহায় লৈ উৎপাদক সমবায় সমিতিৰ ধাৰণা আলোচনা কৰা। (পাঠ ৪ চোৱা)

3. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 40 ৰ পৰা 60 টা শব্দৰ ভিতৰত কৰা । ২

(a) ব্যৱসায়ত বিপদ আৰু অনিশ্চিয়তা অন্তৰ্ভূক্ত হৈ থাকে। ব্যাখ্যা কৰা। (পাঠ ১ চোৱা)

(b) পৰিবহনে কম ব্যয়ৰে বৃহৎ মাত্ৰাৰ উৎপাদনক কেনেকৈ সুবিধা প্ৰদান কৰে? (পাঠ ৫ চোৱা)

4. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 100 ৰ পৰা 150 টা শব্দৰ ভিতৰত কৰা । ৪

(a) সমবায় সমিতি এক বিশেষ প্ৰকাৰৰ ব্যৱসায় সংগঠন যি অন্য ব্যৱসায় সংগঠনতকৈ ভিন্ন। এই বাক্যাংশৰ আধাৰত সমবায় সমিতিৰ বৈশিষ্ট্য সমূহ ব্যাখ্যা কৰা। (পাঠ ৪ চোৱা)

(b) শুল্কাধীন পন্যাগাৰ আৰু সমবায় পন্যাগাৰৰ মাজত পাৰ্থক্য সমূহ লিখা। (পাঠ ৬ চোৱা)

5. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ 100 ৰ পৰা 150 টা শব্দৰ ভিতৰত কৰা । ৪

(a) ই-বাণিজ্যৰ বিভিন্ন প্ৰকাৰসমূহৰ শ্ৰেণীকৰণ ব্যাখ্যা কৰা। (পাঠ ২ চোৱা)

(b) সকলো প্ৰকাৰৰ মালিকীস্বত্বৰে কিছুমান সীমাবদ্ধতা থাকে আৰু একক মালিকীস্বত্বও ব্যতিক্ৰম নহয়। একক মালিকীস্বত্বৰ বিভিন্ন সীমাবদ্ধতা সমূহ আলোচনা কৰা। (পাঠ ৩ চোৱা)

6. তলত দিয়া প্ৰকল্পসমূহৰ পৰা যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰা। ৬

(a) আপোনাৰ বন্ধুৱে তেওঁৰ বন্ধুৰ সৈতে ফলপ্ৰসূ যোগাযোগ স্থাপন কৰাত অসুবিধাৰ সন্মুখীন হৈছে। তেওঁক ফলপ্ৰসূ যোগাযোগ স্থাপনৰ ক্ষেত্ৰত ব্যাঘাত জন্মোৱা কাৰকসমূহ বুজাই দিয়া আৰু সেই অসুবিধাৰ সমাধান কৰাৰ বাবে পথ প্ৰদৰ্শক হোৱা। (পাঠ ৭ চোৱা)

(b) অংকিতৰ এটা লঘু সামগ্ৰীৰ ব্যৱসায় কৰাত মন। তেওঁৰ দেশৰ বিভিন্ন স্থানলৈ সামগ্ৰীসমূহ যোগান দিব বিচাৰে। এটা উৎকৃষ্ট যাতায়ত ব্যৱস্থাৰ সুবিধা আৰু অসুবিধা সমূহ দেখুৱাই তেওঁক পৰামৰ্শ দিয়া। (পাঠ ৬ চোৱা)

---

# গাৰ্হস্থ্য বিজ্ঞান (২১৬)

## মুঠ নম্বৰ- ২০

## শিক্ষক অংকিত মূল্যাংকন পত্ৰ

মন্তব্য ঃ (ক) প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।
প্ৰতিটো প্ৰশ্নৰ নম্বৰ সমূহ সন্মুখত দিয়া হৈছে।

(খ) উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাটোত নিজৰনাম, অনুক্ৰমাংক, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্ট ভাৱে লিখিব লাগিব।

১। নিম্নলিখিত প্ৰশ্নৰ ভিতৰত যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০-৬০টা শব্দৰ ভিতৰত লিখা। ২

(ক) গাৰ্হস্থ্য বিজ্ঞান কলা আৰু বিজ্ঞানৰ সংযোজন ।
এই বাক্যশাৰী বহলাই লিখা আৰু গাৰ্হস্থ্য বিজ্ঞানৰ যোগেদি হ'ব লগা দুটা সংস্থাপনৰ দিশ লিখা। (পাঠ -১, ১২চোৱা)

(খ) গাৰ্হস্থ্য বিজ্ঞানৰ সিদ্ধান্ত সমূহৰ দ্বাৰা আমি এটা সৰু ঘৰ কেনেকৈ ডাঙৰ কৰিব পাৰো ? চাৰিটা উদাহৰণ দিয়া। (পাঠ -১, ১২চোৱা)

২। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০-৬০ টা শব্দৰ ভিতৰত দিয়া। ২

(ক) পুষ্টিকাৰক আহাৰৰ মহত্ত্ব কি ? (পাঠ ৩,৫ চোৱা)

(খ) খাদ্য সম্বন্ধীয় স্বচ্ছতাৰ চাৰিটা উদাহৰণ দিয়া । (পাঠ ৩,৫চোৱা)

৩। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ৪০-৬০ টা শব্দৰ ভিতৰত দিয়া । ২

(ক) প্ৰাকৃতিক আৰু মানৱ নিৰ্মিত সূতাৰে তৈয়াৰী দুবিধ বস্ত্ৰৰ নাম লিখা।
যিকোনো কাপোৰ ধোৱাৰ আগতে বৰ্গীকৰণৰ আৱশ্যকতা কি ?
(পাঠ ৯,১০ চোৱা)

(খ) অপৰিসজ্জিত কাপোৰ আৰু পৰিসজ্জিত কাপোৰৰ মাজত দুটা পাৰ্থক্য লিখা।
মাৰ্বলিং আৰু গাঠি বন্ধা পদ্ধতিৰে ৰং বিৰংৰ দুপত্তা তৈয়াৰ কেনেকৈ কৰিব পাৰি? পদ্ধতিটো লিখা। (পাঠ ৯,১০,১১ চোৱা)

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত দিয়া।৪

(ক) আপোনালোকৰ ছয়জন সদস্য থকা পৰিয়ালটোৱে এসপ্তাহৰ কাৰণে গোৱা যোৱাৰ পৰিকল্পনা কৰিছে। পৰিয়ালটোত ককা-অৰ্হতা, মা-দেউতা আৰু আপোনালোক দুজন ভাই-ভনী আছে। (পাঠ - ১৪,১৫ চোৱা)

এই পৰিকল্পনা সফল ৰূপায়ন ক ৰিবলৈ তলত দিয়া যুক্তি বোৰ ডাঙি ধৰা -

(i) প্ৰবন্ধন প্ৰক্ৰিয়াৰ পৰ্যায়বোৰ লিখা।

(ii) এটা দিনৰ সময় তালিকা প্ৰস্তুত কৰি উদাহৰণৰ সৈতে লিখা।

(খ) আপুনি উচ্চশিক্ষাৰ কাৰণে চহৰলৈ আহিছে আৰু এটা ভাৰাঘৰত অকলে আছে। আপোনাৰ বন্ধু-বান্ধৱৰ লগত তলৰ বিষয় সমূহ আলোচনা কৰক -(পাঠ ৩,১৯ চোৱা)

(i) সংযুক্ত পৰিয়ালত থকাৰ লাভ কি বৰ্ণনা কৰা।

(ii) এখন সপ্তাহিক খাদ্যৰ সূচী প্ৰস্তুত কৰি খাদ্য প্ৰস্তুত কৰ্তাৰ হাতত দিয়া।

৫। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা যব্দৰ ভিতৰত দিয়ক।৪

(ক) আপোনাৰ মাতৃয়ে বিক্ৰী সময় সীমাত এটা প্ৰতিষ্ঠিত কোম্পানীৰ পৰা ৱাচিং মেচীন কিনিছিলে, যিটো এসপ্তাহ ব্যৱহাৰ কৰাৰ পিছতেই বেয়া হৈ গ'ল।

(পাঠ ২২ চোৱা)

(i) এজন উপভোক্তাৰ অধিকাৰৰ বিষয়ে আপোনাৰ মাতৃক জনাওক। (যিকোনো দুটা)

(ii) বিক্ৰী সময় সীমাত যিকোনো বস্তু ক্ৰয় কৰিলে কেনেধৰণে ঠগ খোৱাৰ সম্ভৱনা থাকে লিখা।

(খ) আপোনাক গ্ৰাম পঞ্চায়তে স্বাস্থ্য সম্বন্ধীয় তথ্য যুগুতাবলৈ কৈছে। আপুনি নিম্নলিখিত বিষয়সমূহৰ ওপৰত নিজৰ ভাৱ প্ৰকাশ কৰক। (পাঠ- ৭,৮ চোৱা)

(i) স্বাস্থ্য মানে কি ? মানসিক আৰু শাৰীৰিক সু-স্বাস্থ্যৰ লক্ষণ সমূহ উদাহৰণ দি লিখা।

(ii) সংক্ৰামক ৰোগ প্ৰতিৰোধ কৰাৰ চাৰিটা উপায় লিখা।

৬। তলত দিয়া প্ৰকল্প সমূহৰ যিকোনো এটা প্ৰকল্প তৈয়াৰ কৰা। ৬

(ক) আপোনাৰ ওচৰৰ ঠাইৰ নিম্নলিখিত বিষয়সমূহৰ বিৱৰণ দিয়া - (পাঠ ৮ চোৱা)

(i) কিমান সংখ্যক ৬০ বছৰৰ ওপৰৰ লোকে কোভিড-১৯ বেমাৰৰ পৰা বাচিবলৈ

ভেকচিন লৈছে। সংক্ৰামক ৰোগৰ পৰা বাচিবলৈ ভেকচিন কিয় ল'ব লাগে

(ii) কোভিড-১৯ বেমাৰৰ পৰা বাচিবলৈ আপোনাৰ পৰিয়ালে কি কি ব্যৱস্থা হাতত লৈছে ? লিখা।

(iii) এটা কবিতা বা গীতৰ যোগেদি সংক্ৰামক ৰোগ কি দৰে প্ৰতিৰোধ কৰিব পাৰি লিখা।

খ) আপোনাৰ ককা-আইতা বা ওচৰৰ বয়সস্থ লোকৰ লগত কথা-পাতি তলৰ বিষয়সমূহৰ ওপৰত সম্যক জ্ঞান আহৰণ কৰক - (পাঠ-৫,৬,২০ চোৱা)

(i) ৰেফ্ৰিজিৰেটৰ নোহোৱাকৈ তেওঁলোকে বতৰৰ খাদ্য কেনেকৈ সংৰক্ষণ কৰিছিল।

(ii) তেওঁলোকৰ দিনত শব্দ প্ৰদুষণ কিয় কম আছিল ? আজিকালিৰ দিনটো আমি এনে প্ৰচেষ্ঠা হাতত ল'ব পাৰোনে ?

(iii) কিশোৰী সকলে সেই সময়ত কি কি অসুবিধাৰ সন্মুখীন হৈছিল।

oooooooooo

## Mathematics (211)

## (শিক্ষক অংকিত মুল্যাংকন পত্ৰ)

সৰ্ব্বোচ্চ নংঃ ২০

টোকা (i) সকলো প্ৰশ্ন বাধ্যতামুলক। প্ৰত্যেক প্ৰশ্নৰ বাবে নম্বৰসমূহ প্ৰশ্নৰ কাষত দিয়া আছে।

(ii) উত্তৰ বহীখনৰ প্ৰথম পৃষ্ঠাৰ ওপৰত নিজৰ নাম, Enrollment নম্বৰ, AI নাম আৰু বিষয় লিখিব।

Q.1. নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটাৰ উত্তৰ দিয়া। 2

a) এদিনাখন লেহৰ তাপমান $0^0$ তকৈ $9^0$ কম আছিল সেইদিনাখন অমৃতসৰৰ তাপমান $0^0$ তকৈ $1^0$ বেছি আছিল। সেই সময়ত মাউণ্ট আবুৰ তাপমান $\sqrt{2}^0C$ আছিল। স্থানসমূহৰ তাপমানক সংক্ষা ৰেখাত প্ৰকাশ কৰা? (পাঠ 1 চাওঁক)

b) এখন আয়তাকাৰ কাগজৰ জোখ 44 cm x 18 cm ইয়াত দীঘলে দীঘলে ঘুৰাই এটা চিলিণ্ডাৰ পোৰা গ'ল চিলিণ্ডাৰটোৰ আয়তন উলিওৱা? (পাঠ 21 চাওঁক)

Q.2. নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটাৰ উত্তৰ দিয়া। 2

a) PQRS চতুৰ্ভূৰ্জৰ কৰ্ণ দুডাল পৰস্পৰ সমদ্বিখণ্ডিত কৰিছে যদি $\angle P=40^0$ হয়, তেন্তে $\angle Q$ উলিওৱা? (পাঠ 13 চাওঁক)

b) ৰেখা $3x + y - 9 = 0$ বিন্দু (1, 3) আৰু (2, 7) সংযোগী ৰেখাখণ্ড কি অনুপাতত অৰ্ন্ত বিভক্ত কৰিব। নিৰ্ণয় কৰা?(পাঠ 19 চাওঁক)

Q.3. তলৰ প্ৰশ্নবোৰৰ যিকোনো এটাৰ উত্তৰ দিয়া। 2


a) এটা আয়তৰ দীঘ প্ৰস্তৰ দুগুনতকৈ 12m বেছি আৰু আয়তটোৰ কালি $320m^2$। এটা সমীকৰণ বনাই আয়তটোৰ দীঘ আৰু প্ৰস্থ উলিওৱা।

b) চিত্ৰত দেখুওৱাৰ দৰে এখন বাগিছাৰ সোমাজত দুটা আয়তাকাৰ পথ আছে। ৰাস্তা দুটাৰ কালি নিৰ্ণয় কৰা, দিয়া আছে যে

AB = CD = 100m

AD = BC = 70m

HE = R = 5m




Q.4. তলৰ দিয়াবোৰৰ যিকোনো এটাৰ উত্তৰ দিয়া। 4

a) কমলেই এটা ব্যৱসায়ৰ বাবে ৪000 টকা বিনিয়োগ কৰিলে। তেওঁ বাৰ্ষিক 5%

হাৰত চক্ৰবৃদ্ধি সূত লাভ কৰিব। তেন্তে নিৰ্ণয় কৰা (পাঠ 8 & 9 চাওঁক)

i) দুই বছৰৰ পিছত তেওঁ কিমান টকা লাভ কৰিব?

ii) তৃতীয় বছৰৰ কাৰণে সূতৰ পৰিমাণ কিমান হ'ব?

b) যদি এটা ত্ৰিভুজৰ এটা কোনৰ সমদ্বিখণ্ডিত ডালে তাৰ বিপৰীত বাহুডালকো সমদ্বিখণ্ডিত কৰে। তেন্তে প্ৰমাণ কৰা যে ত্ৰিভূজটো সমদ্বি বাহু। (পাঠ 14 চাওঁক)

Q.5. তলৰ দিয়াবোৰৰ যিকোনো এটাৰ উত্তৰ দিয়া। 4

a) যদি এটা সমান্তৰ সংগতিৰ 6 তম পদটোৰ 6 গুণ তাৰ 9 ত পদটো 9 গুণৰ সমান হয়, তেনেহলে দেখুওৱা যে 15 ম পদটোৰ শূন্য। (পাঠ 7 চাওঁক)

b) এটা স্তম্ভৰ পাদবিন্দুৰ পৰা 30m উচ্চতাৰ স্তম্ভ এটাৰ উঠন কোন $60^0$ আৰু দ্বিতীয় স্তম্ভৰ শীৰ্ষৰ উঠন কোন প্ৰথম স্তম্ভৰ পাদৰ পৰা $30^0$। দুয়োৰ স্তম্ভৰ মাজৰ দূৰত্ব কিমান ? আৰু দ্বিতীয় স্তম্ভৰ উচ্চতা উলিওৱা? (পাঠ 23 চাওঁক)

Q.6. তলৰ দিয়াবোৰৰ যিকোনো এটাৰ প্ৰকল্প প্ৰস্তুত কৰা। 6

a) আপোনাৰ চুবুৰী/গাওঁৰ 50 টা পৰিয়ালৰ মুঠ জনসংখ্যা আৰু পৰিয়ালৰ আয় আলোকণ কৰা।

i) তথ্যৰ পৰা পৰিয়ালৰ সদস্যবোৰৰ বাৰংবাৰতাৰ তালিকা প্ৰস্তুত কৰা।

ii) পৰিয়ালৰ গড়ৰ মানৰ আকাৰ উলিওৱা? পৰিয়ালটোৰ কিমানটা পৰিয়ালৰ গড় মানৰ আকাৰৰ ওপৰত আছে?

iii) অধিক উপাৰ্জন কৰা 10 টা পৰিয়ালৰ দণ্ড চিত্ৰ আঁকা। (পাঠ 24, 25 চাওঁক)

b) এইবৰ্ষত হ'বলগীয়া ক্ৰিকেট খেল এখন নিৰীক্ষন কৰা। দুয়োটা দলৰ তুলনামুলক সফলতাতলত দিয়াবোৰৰ ওপৰত ভিত্তি কৰি এটা পৰিকল্পনাৰ প্ৰতিবেদন প্ৰস্তুত কৰা।

i) প্ৰত্যেক খেলুৱৈৰ ৰানৰ তথ্য উলিওৱা

ii) দুয়োটা দলৰ গড় ৰান।

iii) বেটিং ধৰাবিলাকৰ প্ৰত্যেকৰে শতকৰা ৰান

iv) বল দিওঁতাৰ প্ৰত্যেকৰে বল দিয়াৰ শতকৰা ৰান।

v) জয়লাভ কৰা দলৰ সৰ্ব্বোচ্চ মান কৰা 5 জন বেটছমেনৰ দণ্ডচিত্ৰৰ সহায়ত আঁকা। (পাঠ 24, 25 চাওঁক)

———

# Psychology (222)

সৰ্বোচ্চ নংঃ ...

Q.1 তলত দিয়া প্ৰশ্নসমূহৰ 40-60 টা শব্দ ভিতৰত উত্তৰ লিখা (যিকোনো এটাৰ)

a) তলত দিয়াপৰীক্ষণ পদ্ধতিৰ আধাৰত স্বতন্ত্ৰ প্ৰভাৰী ক্ৰিয়া আৰু নিৰ্ভৰশীল প্ৰভাৰী ক্ৰিয়া নিৰূপন কৰি তাৰ সমৰ্থনত যুক্তি প্ৰদৰ্শন কৰা "ব্যক্তিৰ হস্তাক্ষৰৰ ওপৰত বিভিন্ন ব্ৰেণ্ডৰ পেনৰ প্ৰভাৱ।"

b) তোমাৰ প্ৰকৃত বয়সৰ আধাৰত ক্ৰমবিকাশৰ যিটো স্তৰত তোমাৰ অৱস্থিতি সেইস্তৰৰ লক্ষণ সমূহ ব্যাখ্যা কৰা।

Q.2 40-60 টা শব্দৰ ভিতৰত তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা

a) পৰীক্ষাত অপেক্ষাকৃত নম্বৰ নোপোৱাৰ বাবে মানসিক চাপত থকা তোমাৰ বন্ধুজনক পৰিবেশৰ লগত খাপ খাবলৈ তুমি কিদৰে সহায় কৰিবা?

b) তোমাৰ পৰিচিত বন্ধু এজনে পৰীক্ষাত ভাল নম্বৰ নোপোৱাৰ কাৰণে মানসিক চাপত ভূগিছে। তুমি তেওঁৰ ব্যৱহাৰ পৰ্য্যবেক্ষণ কৰা আৰু তেওঁৰ ভাৱ প্ৰকাশ প্ৰক্ৰিয়াৰ চাৰিটা সুচকৰ আলোচনা কৰা।

Q.3. 40-60 টা শব্দৰ ভিতৰত তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা

a) পৰিবেশৰ চাপ হ্ৰাস কৰিৱ বাবে তুমি লব পৰা চাৰিটা পদক্ষেপৰ বিষয়ে চমুকৈ লিখা।

b) তোমাৰ প্ৰকৃত বয়সৰ লগত 3 যোগ বা বিয়োগ কৰি নিজৰ মানসিক বয়স নিৰ্ণয় কৰা আৰু তাৰ ভিত্তিত তোমাৰ বুদ্ধ্যাংক গণনা কৰা।

Q.4. 100-150 টা শব্দৰ ভিতৰত তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা

a) বজাৰলৈ যাওঁতে ঘৰৰ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখন মনত ৰাখিবলৈ অৱলম্বন কৰিবলগীয়া চাৰিটা কৌশল উল্লেখ কৰা। লগতে পাহৰনিৰ কাৰণ সমূহ চমুকৈ লিখা।

b) মাস্‌লোৰ আৱশ্যকতাৰ সুত্ৰৰ আধাৰত তোমাৰ প্ৰিয় ব্যক্তি বা অঞ্চলটোৰ কোনো জনপ্ৰিয় ব্যক্তিৰ আৱশ্যকতা সমূহৰ আলোচনা কৰা।

Q.5. 100-150 টা শব্দৰ ভিতৰত তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা

a) সুখী মানুহৰ ছটা লক্ষণৰ বিষয়ে চমুকৈ লিখা

b) তোমাৰ অঞ্চলৰ শিক্ষাতত্বৰ ছাত্ৰ - ছাত্ৰীসকলে সন্মুখীন হব পৰা সমস্যা সমূহ চিহ্নিত কৰি সেইবোৰৰ মোকামিলা কৰিবৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা।

Q.6. তলত দিয়া যিকোনো এটা প্ৰকল্প তৈয়াৰ কৰা-

a) তোমাৰ অঞ্চলত থকা তিনিটা পাৰিৱেশিক সমস্যা আৰু তিনিটা প্ৰতিকাৰ ব্যৱহাৰৰ বাবে চৰকাৰৰ (RWA) আৰু তুমি লোৱা পদক্ষেপৰ বিষয়ে আলোচনা কৰা।

b) মানসিক স্বাস্থ্যৰ সুস্থতাৰ বাবে আধুনিক শিক্ষাৰ অন্তৰ্গত 'জীৱন বিজ্ঞান'ৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা। ১৫ দিনৰ বাবে 'প্ৰেক্ষাধ্যান' আৰু ১৫ দিনৰ বাবে 'বিপাসন' প্ৰয়োগ কৰি তাৰ ফলাফল সমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

oooooooooo
oooooooooo

Data Entry Operations (229)

(ডাটা এণ্ট্ৰি অপাৰেচন)

Tutor Marked Assigment

Max. Marks : 20

টোকা ঃ (i) সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক। প্ৰত্যেক প্ৰশ্নৰ নম্বৰ সমূহ কাষত দিয়া আছে ।

(ii) আপোনাৰ উত্তৰবহীৰ প্ৰথম পৃষ্ঠাৰ ওপৰত আপোনাৰ নাম, enrollment নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম আৰু বিষয় স্পষ্টকৈ লিখক।

Q.1. তলৰ প্ৰশ্নসমূহৰ যিকোনো এটাৰ উত্তৰ দিয়ক ।

a) Computer ৰ ভাষা আৰু শ্ৰেণীসমূহৰ ওপৰত এটা চমুটোকা লিখক। ২

(১ নং পাঠত চাওঁক)

b) Computer এটাৰ পৰা File বা Folder এটা নোহোৰা কৰিবৰ বাবে প্ৰয়োজনীয় উপায়সমূহ লিখক। (২ নং পাঠত চাওঁক)

Q.2. নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰক। ২

a) Word Program ৰ ভিতৰত ruler ৰ যিকোনো দুটা ব্যৱহাৰ লিখক।

(৩ নং পাঠত চাওঁক)

b) তলৰ প্ৰশ্নসমূহৰ বৰ্ণনা কৰক ঃ (২ নং পাঠত চাওঁক)

(i) ৰিচাইকল বিন (Recycle Bin)

(ii) Program এটা বন্ধ কৰা।

Q.3. নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰক। ২

a) ব্যাখ্যা কৰক ঃ (৬ নং পাঠত চাওঁক)

(i) নেভিগেটিং ওৰ্কচিট (Navigating Worksheet)

(ii) Cells আৰু rows অন্তৰ্ভুক্ত (Insert) কৰা।

b) তলৰ উল্লেখিত সমূহৰ Selecting ৰ বাবে Shortcut কি ?

(৪ নং পাঠত চাওঁক)

(i) এটা সম্পূৰ্ণ শব্দ (Word) ৰ বাবে। (A whole word)

(ii) সম্পূৰ্ণ Paragraph ৰ বাবে (Whole paragraph) ।

(iii) Text টো কাটিবৰ বাবে (Cutting the text) ।

(iv) Document Print কৰিবৰ বাবে (Printing the document)।

Q.4 নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দিয়ক। ৪

a) এখন Workbook ত Password বহোৱাৰ বাবে স্তৰবোৰ (Steps) লিখক।

(৬ নং পাঠত চাওঁক)

b) এখন Chart ৰ যিকোনো পাঁচটা উপাদানৰ (Components) বিষয়ে বৰ্ণনা কৰক।

(৮ নং পাঠত চাওঁক)

Q.5 নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দিয়ক। ৪

a) Slide ত ছবি এখনক বিন্দুৰ (bullets) ৰূপত কেনেকৈ বহোৱা হয়।

(৯ নং পাঠত চাওঁক)

b) 'ABC' স্কুলে এখন আন্তঃ স্কুল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। স্কুলৰ ছাত্ৰ কমিটিয়ে ইয়াৰ বাবে brochure ডিজাইন কৰিব লাগিব। বেনাৰত সংযোগ কৰিবলৈ তলত দিয়া বিকল্প সমূহেৰে ছাত্ৰক সহায় কৰক।

(৪ নং পাঠত চাওঁক)

(i) নথিপত্ৰখন desktop ত 'Sports Day' নামেৰে save কৰক।

(ii) নথিপত্ৰখনত পৃষ্ঠসীমা (Page border) দিয়ক।

(iii) পৃষ্ঠৰ পৃষ্ঠভূমি (background) ৰং কৰক।

(iv) Margin ক .4 ত বহোৱাওক।

(v) Internet ৰ পৰা উপযুক্ত ছবিলৈ ইয়াক সুন্দৰকৈ সজাওঁক।

Q.6 নিম্নলিখিত পৰিযোজনাবোৰৰ যিকোনো এটা পৰিযোজনা বনাওঁক। ৬

a) Excel sheet বনাওঁক আৰু নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়ক।

(৮নং পাঠ চাওঁক)

| | A | B | C | D | E | F |
|---|---|---|---|---|---|---|
| 1. | ABC Grocery Shop | | | | | |
| 2. | SNo. | Item | Qty. | Rate | Total | |
| 3. | 1 | Soap | 23 | 10 | | |
| 4. | 2 | Detergent | 24 | 45 | | |
| 5. | 3 | Tooth Paste | 8 | 12 | | |
| 6. | 4 | Dettol | 12 | 10 | | |
| 7. | 5 | Butter | 12 | 14 | | |
| 8. | 6 | Refined | 16 | 10 | | |

(i) ওপৰৰ Sheet খন বনাওঁক আৰু file টো save কৰক।

(ii) Qty. ৰ Rate গননা কৰিবলৈ Cell E 3 ত সূত্ৰ (Formula) লিখক।

(iii) অধিকতম Qty. Print কৰিবলৈ Cell E 3 ত সূত্ৰ (Formula) লিখক। ।

(iv) Y axis ত item ৰ লগত Rate ৰ বাৰ (bar) Chart বনাবলৈ Steps বোৰ লিখক।

b) Operating System ৰ ওপৰত এটি Power Point Presentation প্ৰস্তুত কৰক। ইয়াত নিম্নলিখিত প্ৰত্যেকৰ কাৰণে একোখন Slide সংযোজিত হোৱাতো বাধ্যতামূলক। (৯ নং পাঠ চাওঁক)

(i) Operating System কি ? ইয়াৰ বাবে চিত্ৰ দিয়ক।

(ii) Operating System ৰ প্ৰকাৰ।

(iii) কম্পিউটাৰ Operating System ।

(iv) মোবাইল Operating System ।

oooooooooooooooo